# ৪০০ খৃষ্টাব্দ আৰু ১৬০০ খৃষ্টাব্দৰ মাজত খ্ৰীষ্ট ধৰ্ম্ম ব্যাপি যোৱা

ল’ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন H4b2 পঢ়া উচিত।

১। **খ্ৰীষ্ট ধৰ্ম্মৰ পুৰণি ইতিহাসৰ শিক্ষা দিবলৈ আপুনি নিজকে প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে প্ৰস্তুত কৰক।**

**প্ৰাৰ্থনা ঃ** “প্ৰিয় যীচু, আপুনি লোকবিলাকক আৰু জাতিবোৰক কেনেকৈ ইতিহাসৰ পৰা সহায় কৰিছিল, আমাক শিকাওক।

পাঁচনিৰ কৰ্ম্ম ১৯ঃ১১-২৮ পদত চাওক, খ্ৰীষ্ট ধৰ্ম্মই মূৰ্ত্তি পূজাক বাধা দিয়াত কি হৈছিল।

- যীচুক মান-মৰ্য্যদা দিবলৈ ঈশ্বৰে কি কৰিলে? *(১১-১২ পদ)*
- ভূত বিলাক খেদাবলৈ অবিশ্বাসীবিলাকে যীচুৰ নাম লওঁতে কি ঘটিল? *(১৩-১৭)*
- মায়া কৰ্ম্ম কৰা সকলক বিশ্বাসীবিলাকে কি কৰা উচিত? *(১৮-২০)*
- দেৱ-দেৱী পূজক পুৰোহিত আৰু ধৰ্ম্মীয় লোকবিলাকে কি কৰিবলৈ চেষ্টা কৰিছিল? *(২১ঃ২৮)*

## ৪০০ খৃষ্টাব্দৰ পৰা ৮০০ খৃষ্টাব্দলৈকে খ্ৰীষ্ট ধৰ্ম্ম

এচিয়াৰ লোকবিলাক পশ্চিমলৈ যাব ওলোৱাত, দেৱ পূজক সকলে ৰোমীয় সাম্ৰাজ্য আক্ৰমণ কৰিলে। খ্ৰীষ্ট ধৰ্ম্মৰ ওপৰত ইয়াৰ যথেষ্ট প্ৰভাৱ পৰিছিল।

- দেৱ পূজক সকলে শুভবাৰ্ত্তা শিকিলে আৰু অনেকে বিশ্বাসী হ’ল।
- গীৰ্জ্জাবিলাক (মণ্ডলী) নহয়, মন্দিৰবিলাক বিশ্বাস আৰু শিকাৰ স্থান হৈছিল।
- আয়াৰলেণ্ডৰ আদিবাসী লোকসকলে সন্যাসীৰ মঠবিলাক স্থাপন কৰিলে আৰু ইউৰোপৰ দশোদিশে ঈশ্বৰৰ আদেশ প্ৰচাৰ কৰিলে।
- আদিবাসীসকলে স্বাক্ষৰতা অভ্যাস কৰিছিল শিকাইছিল, লগতে বাইবেল আৰু আন কিতাপবিলাক তৰ্জ্জমা কৰিছিল।
- খ্ৰীষ্টিয় সমাজ দক্ষিণ এচিয়াত আৰম্ভ হৈছিল।
- নেচ্‌টৰিয়ান খ্ৰীষ্টিয়ান সকলে সন্যাসী আশ্ৰম স্কুলবিলাক মধ্য এচিয়াত স্থাপন কৰিছিল।
- ৮৪৫ খৃষ্টাব্দলৈকে চীন দেশত নেচ্‌টৰিয়ান খ্ৰীষ্ট ধৰ্ম্ম বৃদ্ধি পাইছিল।
- ৮ শতিকাত ৰোমীয় সম্ৰাট চাৰ্লিমেগনে খ্ৰীষ্ট ধৰ্ম্ম আৰু ন্যায় বৃদ্ধি কৰিছিল।

**মথি ২৪ঃ৬-১৪** চাওক, তেওঁৰ শিষ্যবিলাকে জগতত কিহৰ সন্মুখীন হব বুলি যীচুৱে কৈছিল।

- জাতি বিলাকৰ মাজত কি হ’ব? *(৬-৭ পদ)*
- জাতি বিলাকৰ মাজত যীচুৰ অনুগামী সকলৰ কি হ’ব? *(৯)*
- খ্ৰীষ্ট ধৰ্মৰ বিষয়ে শুনা অনেক লোকবিলাকে কি কৰিব? *(১০)*
- কিহে মানুহবিলাকক ঈশ্বৰৰ পৰা আঁতৰাই নিব? *(১১-১২)*
- যীচুৰ প্ৰকৃত অনুগামী সকলে সেই সময়ত কি কৰিব লাগিব? *(১৩)*
- আৰু শুভবাৰ্ত্তা কি কৰা হ’ব? *(১৪)*

## ৮০০ খৃষ্টাব্দৰ পৰা ১২০০ খৃষ্টাব্দলৈকে খ্ৰীষ্ট ধৰ্ম্ম

সন্ন্যাসীৰ মঠবিলাক বিনষ্ট কৰি, সাগৰত ফুৰা উত্তৰ দেশীয় দস্যুবিলাকে ইউৰোপৰ সম্পত্তিৰ কেন্দ্ৰস্থল আক্ৰমণ কৰি ললে। পিছলৈ মুছলমানে এচিয়া আৰু ইউৰোপ আক্ৰমণ কৰি ল’লৈ। এইয়ে খ্ৰীষ্ট ধৰ্ম্মৰ ওপৰত বিভিন্ন প্ৰভাৱ পেলালে ঃ

- সাগৰত ফুৰা উত্তৰ দেশীয়ে জলদস্যুবিলাকে অনেক খ্ৰীষ্টিয়ানক বন্দী কৰি নিছিল আৰু তেওঁলোকৰ পৰা শুভবাৰ্ত্তা জানিছিল।
- খ্ৰীষ্টধৰ্ম্ম পুনৰ ইউৰোপত বিয়লি যাবলৈ ধৰিলে।
- কেৱল নামত, অনেক ৰজা ও প্ৰজাবিলাকে খ্ৰীষ্টিয়ান হৈছিল।
- খ্ৰীষ্টধৰ্ম্ম ইউৰোপতকৈ এচিয়াতহে চাৰিওফালে অধিককৈ বিয়পি পৰিছিল।
- মুছলমান সকলে অলপ দিনৰ নিমিত্তে খ্ৰীষ্ট ধৰ্ম্মক প্ৰতিকাৰ নকৰাকৈ আছিল, কিন্তু অত্যন্ত জোৰকৈ আজিলৈকে দমন কৰি আছে।

**টোকা ঃ** নেচটৰিয়ান খ্ৰীষ্টিয়ানসকল এচিয়া লোক আৰু জাতি বিলাকলৈ ফলদায়ক মিশ্যনেৰী হৈছিল, কাৰণ তেওঁলোকে তলত দিয়া দৰে কৰিছিল ঃ

- তেওঁবিলাকৰ মিশ্যন পৰিচৰ্য্যাকাৰীসকল অধিকাংশই নিজৰ আয়ৰ পৰা চলিব পৰা ব্যৱসায়ী লোক আৰু বনিকসকল আছিল।
- অবিশ্বাসী সকলক প্ৰত্যয় নিয়াবলৈ, দৰ্শন আৰু আচৰিত কাৰ্য্যৰ নিমিত্তে তেওঁলোকে ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিছিল।
- অনেক ঠাইবিলাকত তেওঁবিলাকে শিক্ষা আৰু স্বাস্থ্য সেৱা কেন্দ্ৰ স্থাপন কৰিছিল।
- বিপদ সঙ্কুল ঠাইবিলাকত তেওঁলোকে মঠ-মন্দিৰ স্থাপন কৰিছিল।
- ৰক্ষক আৰু জাকবিলাকক চলিত প্ৰশিক্ষণ আৰু তত্ত্বাৱধান যোগাইছিল।

তথাপি, তেওঁলোকৰ অনেক কামবোৰ পিচলৈ বিনষ্ট হৈছিল কাৰণ ঃ

- তেওঁলোকে থলুৱা ভাষাত বাইবেল তৰ্জ্জমা কৰা নাছিল।
- তেওঁলোকে থলুৱা লোকক নিজৰ মণ্ডলীবোৰ পৰিচালনা কৰিবলৈ দিয়া নাছিল।
- তেওঁলোকে থলুৱা লোকক নিজৰ সংস্কৃতিৰ মাধ্যমেৰে উপাসনা কৰিবলৈ অনুমতি দিয়া নাছিল।
- অনেকেই খ্ৰীষ্টক গ্ৰহণ কৰা নাছিল, কেৱল ধন-সম্পত্তি আৰু ক্ষমতাৰ বাবে জীয়াই থকা মণ্ডলীৰ নামধাৰী সভ্য / সভ্যা আছিল।

## ১২০০ খৃষ্টাব্দৰ পৰা ১৬০০ খৃষ্টাব্দলৈকে খ্ৰীষ্ট ধৰ্ম্ম

সৰ্ব্ব সাধাৰণ লোকসকলে পঢ়ি পালন কৰিবলৈ ইউৰোপ আৰু এচিয়াৰ পৰিচালক সকলে বাইবেল তৰ্জ্জমা কৰিবলৈ অনুমতি দিয়া নাছিল। খ্ৰীষ্টধৰ্ম্মৰ ওপৰত ইয়াৰ ফলাফল ভাল নাছিল।

- তেওঁলোকৰ ধন-সম্পত্তি আৰু ক্ষমতা বঢ়াবলৈ, ৰজা আৰু পোপ সকলে ধৰ্ম্মক ৰাজনীতিৰ লগত মিলাইছিল।
- ১০৯৫ আৰু ১৩৫০ চনৰ মাজত ইউৰোপৰ লোকসকলে, মুচলমান, যিহূদী আৰু এচিয়াৰ খ্ৰীষ্টিয়ান সকলৰ বিৰুদ্ধে ধৰ্ম্মযুদ্ধ চলাই অনেকক বধ কৰিছিল আৰু তেওঁবিলাকৰ মাটিবাৰী দখল কৰি লৈছিল।
- যুদ্ধত হাৰি মধ্য এচিয়াৰ অনেক লোকে মুছলমান ধৰ্ম্মত দীক্ষিত হৈছিল।
- ১৩৬৮ খৃষ্টাব্দৰ পৰা মিঙ ৰাজবংশই চীন দেশৰ পৰা নেচটৰিয়ান খ্ৰীষ্ট ধৰ্ম্ম নোহোৰা কৰিছিল।
- মুছলমান সম্ৰাট তামেৰলেনে (১৩০৬-১৪০৫) ভিতৰত এচিয়াৰ পৰা খ্ৰীষ্ট ধৰ্ম্মৰ প্ৰায় সকলোকে নোহোৰা কৰিছিল।
- ফ্ৰেন্সিচকান আৰু দমিনিকান খ্ৰীষ্টিয়ান সকলে মুছলমান সকলৰ মাজত মিশ্যনৰ কাম শান্তিপ্ৰিয় ভাৱে কৰিবলৈ বাট বিচাৰিছিল।

**২। আগত অহা সপ্তাহটোত কৰিবলগীয়া কামৰ বাবে সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

এই অধ্যয়নৰ ১ম ভাগ একেলগে পঢ়ক আৰু খ্ৰীষ্টিয়ান সকলে কৰিবলগীয়া কামৰ টোকা লিখক। আপুনি আৰু বিশ্বাসীসকলে এনেধৰণৰ কাম সমাজত কৰিবলৈ আঁচনি কৰক।

এই অধ্যয়নৰ পৰা মণ্ডলীৰ ইতিহাস অথবা তেওঁলোকৰ প্ৰয়োজনীয় আন বিষয় শিকোৱা আৰু প্ৰশিক্ষণ দিয়া নতুন চলাওঁতা সকলক লগ ধৰক।

**৩। হব লগীয়া উপাসনাৰ কাৰণে আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

পাঁচনিবিলাকে যীচুৰ শুভবাৰ্ত্তা কেনেকৈ প্ৰচাৰ কৰিছিল, সেই বিষয়ে ১ম ভাগত উল্লেখ কৰা শাস্ত্ৰৰ অংশবিলাক বিশ্বাসীসকলক পঢ়িবলৈ দিয়ক।

খ্ৰীষ্টিয়ান ইতিহাসৰ ৪০০ বছৰৰ মাজত (১২০০ খৃষ্টাব্দৰ পৰা ১৬০০ খৃষ্টাব্দ) বিশ্বাসী সকলে শুভবাৰ্ত্তা কেনেকৈ ভগাই লৈছিল বৰ্ণনা কৰক।


তাড়ণা অথবা অগ্ৰাহ্য কৰা সময়ত তেওঁৰ প্ৰতি বিশ্বাসী হৈ থকাত ঈশ্বৰে কিদৰে সহায় কৰিছিল, বিশ্বাসী সকলক সাক্ষী দিবলৈ দিয়ক।

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাট প্ৰদৰ্শন কৰিবলৈ দিয়ক।

প্ৰভুৰ ভোজ পালন কৰিবলৈ প্ৰকাশিত বাক্য ২০ঃ৪ পদ পঢ়ক আৰু যীচু যে এগৰাকী শ্বহীদ আছিল আৰু তেওঁৰ কাৰণে মৃত্যু হোৱা সকলোৱে যে তেওঁৰ লগত ৰাজত্ব কৰিব সেই কথা চমুকৈ বৰ্ণনা কৰক।

একেলগে **মুখস্থ কৰক** মথি ১০ঃ৩২ ।

দুই বা তিনি জনীয়া দলৰ সৰু গোট হৈ আঁচনি, প্ৰাৰ্থনা আৰু পৰস্পৰক উৎসাহিত কৰক।




*সাগৰত ফুৰা উত্তৰ দেশীয় দস্যুবিলাকে ইউৰোপৰ অনেক খ্ৰীষ্টিয়ান ধৰ্ম্মক ধ্বংস কৰিছিল।*

*তথাপি, অনেক সাগৰত ফুৰা উত্তৰ দেশীয় দস্যুবিলাক পিছত খ্ৰীষ্টিয়ান হৈছিল।*

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net